# এক ধ্ৰুৱসত্য

যোৱা ১১ তাৰিখে প্ৰকাশিত হিলাৰী ক্লিন্টনৰ পৰাজয়ৰ কথাৰে লিখা মোৰ চিঠিখনে যথেষ্ট সহাঁৰি লাভ কৰিছে। কেৱল মহিলাই নহয় ভালেমান পুৰুষেও মোলৈ ফোন কৰি আজিও আমাৰ সমাজত চলি থকা লিংগ বৈষম্যৰ বাবে খেদ কৰিছে। কেইবাগৰাকী মহিলায়ে নিজে সন্মুখীন হোৱা অন্যায়ৰ কথা প্ৰকাশ কৰিছে। আমেৰিকাৰ চিকাগো চহৰৰ পৰা ললিতা কলিতা নামৰ মহিলা গৰাকীয়ে কৰা ফোন বিশেষভাৱে উল্লেখযোগ্য। প্ৰায় এঘণ্টাজুৰি তেওঁৰ লগত কৰা আলোচনা মোৰ বাবে কেৱল প্ৰেৰণাদায়কে নহয় – জ্ঞানদায়কো।

এইখিনিতে উল্লেখ কৰিবলৈ ইচ্ছা কৰো যে বহুতে এনে বিষয়ৰ ওপৰত পুনৰ লিখিবলৈ অনুৰোধ কৰিছে। লিংগ বৈষম্যৰ বিভিন্ন দিশৰ ওপৰত লিখিবলৈ বা চৰ্চা কৰিবলৈ বহুত কথাই আছে যদিও আজি এটা বিশেষ দিশৰ ওপৰতহে আলোকপাত কৰিম। আজি এক দশকৰ আগতেই আমাৰ দেশত Domestic Violence আইন প্ৰণয়ন হ'ল যদিও আজিও বহুত নাৰীৰ ওপৰত নিজৰ ঘৰতে নানান ধৰণৰ শাৰীৰিক মানসিক অত্যাচাৰ চলি আছে।

মোৰ পাঠকসকলৰ মাজত যদি এনে লোক আছে যি নিজৰ পত্নীক শাৰীৰিক/মানসিক অত্যাচাৰ কৰে তেওঁলোকক মোৰ লেখাৰ যোগেৰে এষাৰ সাৱধান বাণী শুনাব খুজিছো। তেনে কাৰ্য্যই তেওঁলোকৰ সন্তানৰ মনত কেনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে সেই কথা যেন মনত ৰাখে। আৰু এটা কথা কও – তেওঁলোকক কোনোবাদিনা পত্নীয়ে ক্ষমা কৰিলেও নিজৰ সন্তানে কদাপি ক্ষমা নকৰে। তেওঁলোক চিৰদিন নিজৰ সন্তানৰ ঘৃণাৰ পাত্ৰ হৈ ৰ'ব। এইখিনিতে লেখক Oscar wilde ৰ এষাৰ কথা উল্লেখ কৰো – "Children begin by loving their parents: after a time they judge them; rarely, if ever, do they forgive them."

এই কথাষাৰ কিমান সত্য মই মাত্ৰ কেইটামান উদাহৰণেৰে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিম। মই ইয়াত লিখা কথাখিনি সম্পূৰ্ণ সত্য। অসমৰ মানুহে তেওঁলোকক চিনি পোৱাৰ সম্ভাৱনা নাই যদিও তেওঁলোকৰ অসন্মান নহবৰ বাবে নাম সলনি কৰি দিছো।

প্ৰথমে লিখো কৰ্ণাটক চৰকাৰৰ এক দায়িত্বপূৰ্ণ পদবীত থকা ৰাঘৱেন্দ্ৰৰ কথা। এওঁৰ ছাত্ৰ আছিল বাবে ৰাঘৱেন্দ্ৰ মাজে সময়ে আমাৰ ঘৰলৈ আহিছিল। আজি প্ৰায় ২০ বছৰমানৰ আগতে আমাৰ ঘৰলৈ আহিছিল KAS (Karnataka Administrative Service) পোৱাৰ খবৰ দিবলৈ। সেইদিনা বন্ধৰ দিন আছিল বাবে আমি ঘৰতে আছিলো। চাহ তাহ দি অভিনন্দন জনাই

ময়ো কথা পাতিবলৈ বহিলো। ঘৰৰ খবৰ সোধাত মাকৰ ভালেই আৰু দেউতাক হস্পিটেলত আছে বুলি ক'লে। মই তেতিয়া এতিয়াৰ দৰে ভালকৈ কান্নাড়া কব নোৱাৰিছিলো বাবে শিক্ষিত মানুহৰ লগত সাধাৰণতে ইংৰাজীতে কথা পাতিছিলো। ৰাঘৱেন্দ্ৰই বেছ উম্মাৰে ক'লে, "I am just waiting for him to die'। মই অবাক হৈ তেওঁৰ ফালে চোৱাত ক'লে "I mean it. All my money is being wasted because of this man." ৰাঘৱেন্দ্ৰৰ মুখৰ পৰা কথা নহয় – এক আগ্নেয়গিৰিৰ হে যেন উদ্‌গিৰণ হৈছিল। তেওঁ সেইদিনা কোৱা কথাখিনি আছিল এনে ধৰণৰ : দেউতাক মদাহী, দায়িত্বহীন আৰু অত্যাচাৰী মানুহ। মদ খাই আহি ঘৰত উপদ্ৰৱ কৰেহি, মাকক মাৰপিট কৰে, ঘৰ চলাবলৈ পইছা পাতি নিদিয়ে। মাকে বৰ কষ্ট কৰি ঘৰ চলাইছিল। দেউতাকৰ বাবেই ল'ৰাছোৱালীকেইটাৰ সোনালী শৈশৱ আৰু কৈশোৰ সম্পূৰ্ণ নষ্ট হৈছিল। লগতে তেওঁ এইটোও ক'লে, "মায়ে কোৱাৰ বাবেই মই এই মানুহটোক হস্পিটেলত ৰাখি ইমান পইছা খৰছ কৰিছো নহলে ঘৰতেই নিজে নিজে মৰিবলৈ এৰি দিলোহেতেন। এইটো এটা অনৰ্থক খৰছ। মই এইখিনি টকাৰে কেইবাটাও দুখীয়া ল'ৰাছোৱালীক পঢ়ুৱাব পাৰিলোহেতেন। বহুতো দুখীয়া মানুহক খুৱাৰ পাৰিলোহেতেন। ৰাঘৱেন্দ্ৰৰ কথাখিনি নিঃসন্দেহে অত্যন্ত শ্ৰুতিকটু কিন্তু কিমান কষ্ট যন্ত্ৰণা আৰু দুখৰ বাবে মুখৰ পৰা তেনে কথা ওলাইছে সেইটোও চিন্তা কৰিবলগীয়া। এতিয়া তেওঁ বেংগালুৰুত থাকে। অৱস্থা ভাল – মাককো ভালকৈ ৰাখিছে। কিন্তু উপভোগ কৰিবৰ বাবে শৈশৱ বা কৈশোৰ জানো ঘুৰি আহিব? আৰু মাকৰ বাবে?"

এতিয়া লিখো এজন সমাজকৰ্মীৰ কথা। তেখেত বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল। ড. ৰাজগোপাল আজি ৫০ বছৰমানৰ আগতে গুৱাহাটী বিশ্ববিদ্যালতো কেইবছৰ মানৰ বাবে অধ্যাপনা কৰিছিলে। তেখেত এজন কমিউনিষ্ট নেতা আছিল – এখন জাতি, বৰ্ণহীন, শ্ৰেণীহীন, দূৰ্নীতিমুক্ত নিকা সমাজ নিৰ্মাণৰ সপোন দেখিছিল। ড. ৰাজগোপাল এক অত্যন্ত নিৰ্ভীক আৰু সামাজিক কামকাজত আগৰণুৱা ব্যক্তি আছিল। তেখেতৰ প্ৰগতিশীল চিন্তাধাৰা আৰু কামকাজৰ বাবে ছাত্ৰছাত্ৰীসকলে তেখেতক দেৱতাৰ দৰে গণ্য কৰিছিল। সাম্যবাদী হোৱাৰ বাবে তেখেতে নিজে কোনো সা-সম্পত্তি কৰা নাছিল আৰু পৈতৃক সম্পত্তিৰো ভাগ লোৱা নাছিল। অৱশেষত পুৰণা ঘৰখন বিক্ৰি কৰিবলগীয়া হোৱাত ভনীয়েকে বৰকৈ জোৰ কৰাত তেখেতৰ ভাগটো লৈ সমানে দুভাগ কৰি জীয়েক আৰু বোৱাৰীয়েক (পুত্ৰৰ ইতিমধ্যে মৃত্যু হৈছিল) ক দিলে – নিজৰ বা পত্নীৰ বাবে একো নাৰাখিলে।

তেখেত এই চহৰৰ এক বিশিষ্ট ব্যক্তি আছিল। ময়ো তেখেতক যথেষ্ট শ্ৰদ্ধা কৰিছিলো। আমি তেখেতক ঘৰুৱাভাৱেও পাইছিলো। সমাজত তেখেতৰ অনেক গুণমুগ্ধ লোক আছিল যদিও তেখেতক বেয়া পোৱা লোকো বহুত আছিল। তেখেত উগ্ৰ স্বভাৱৰ মানুহ আছিল, কোনো কথা কবলৈ সংকোচ নকৰিছিল আৰু নিজৰ দৃষ্টিভংগী আৰু মতামতত ইমানেই অচল অটল আছিল যে

আনৰ মতামতক গ্ৰাহ্যই নকৰিছিল। মোক অৱশ্যে কেতিয়াও তুচ্ছ জ্ঞান কৰা নাছিল। লগ পালেই অসমৰ বিষয়ে নানান কথা বিশেষকৈ অসমৰ গছ গছনি, অসমত হোৱা বিভিন্ন ধান খেতিৰ কথা পাতিছিল কাৰণ তেখেত উদ্ভিদ বিজ্ঞানৰ মানুহ আছিল।

তেখেতৰ ল'ৰা বিজয়ে মেডিকেল পঢ়িবলৈ বৰ ইচ্ছা কৰিছিল যদিও নম্বৰ কিছু কম হোৱাৰ বাবে চৰকাৰী চিট নাপালে। দেউতাকে অতিৰিক্ত টকা খৰছ কৰি মেনেজমেন্ট ক'টাৰ চিট লৈ পঢুৱাবলৈ অমান্তি হোৱাত বিজয়ে আয়ুৰ্বেদিক পঢ়িলে। তাৰ বাবে পুত্ৰই তেখেতক কোনোদিন ক্ষমা নকৰিলে। বিজয়ৰ মতে ইচ্ছা কৰা হ'লেই দেউতাকে সেইখিনি টকা খৰছ কৰিব পাৰিলেহেতেন। দ্বিতীয়তে দেউতাকে সকলোকে প্ৰয়োজন অনুসৰি আৰ্থিকভাৱে সহায় কৰিছিল যাৰ বাবে পৰিয়ালৰ মানুহে বৰ সাধাৰণ ভাবে জীৱন যাপন কৰিবলগীয়া হৈছিল। বিজয়ৰ প্ৰশ্ন হ'ল সকলোকে সহায় কৰিবলৈ সদা প্ৰস্তুত দেউতাকে নিজৰ পুত্ৰৰ বাবে সেইখিনি অতিৰিক্ত ধন কিয় খৰছ কৰিব নোৱাৰিলে ?

আজি প্ৰায় দুবছৰমানৰ আগতে তেখেতৰ মৃত্যু হৈছিল। বৰ ডাঙৰ কৈ শোকসভা পতা হৈছিল আৰু তাত বিভিন্নজনে তেখেতৰ গুণ কীৰ্তন কৰিছিল। কিন্তু তেখেতৰ ছোৱালী জয়শ্ৰীয়ে কোৱা এষাৰ কথাত সকলো স্তম্ভিত হৈছিল। প্ৰায় ৫৮ বছৰীয়া জয়শ্ৰী ইয়াৰে এখন কলেজৰ অধ্যক্ষা। দেউতাকৰ বিষয়ে ভালেখিনি ভাল কথা কোৱাৰ পিছত জয়শ্ৰীয়ে ক'লে, "কিন্তু মই দেউতাৰ এটা ভুল বা অন্যায়ৰ কথা নকলে ভণ্ডামি কৰা হ'ব। মাত্ৰ ১৬ বছৰ বয়সতে বিবাহপাশত আৱদ্ধ হৈ আমাৰ মায়ে সংসাৰখন নিয়মিয়াকৈ চলাই আহিছে। নিজৰ সকলো ইচ্ছা/অনিচ্ছা জলাঞ্জলী দি দেউতাৰ জীৱনধাৰাৰ লগত নিজকে সম্পূৰ্ণ বিলীন কৰি দিছিল। কিন্তু মাৰ কথা দেউতায়ে এবাৰো নাভাবিলে। নিজৰ বাবে ঘৰৰ প্ৰয়োজন নাই বুলি ভাবিছিল কিন্তু মাৰ নিৰাপত্তাৰ বাবে অন্ততঃ এটা সৰু ঘৰ সজাব পাৰিলেহেতেন। ভাৰাঘৰৰ মালিকে মাক ঘৰ খালি কৰিবলৈ ক'লে মায়ে এই বয়সত কি কৰিব? দেউতায়ে দেশৰ কথা, সমাজৰ কথা ভাবিলে কিন্তু মাৰ কথা নাভাবিলে। অন্যায়ৰ বিৰুদ্ধে আজীৱন সংগ্ৰাম কৰা মানুহজনে নিজেই মাৰ প্ৰতি চৰম অন্যায় কৰিলে। এগৰাকী পৰনিৰ্ভৰশীলা নাৰীৰ সেইকন নিৰাপত্তাৰ ব্যৱস্থা ইচ্ছাকৃতভাৱেই নকৰাটো মোৰ বোধেৰে অন্যায়।"

জয়শ্ৰীয়ে নিজৰ স্বামীৰ সহযোগত নিজৰ ঘৰৰ লগত সংলগ্ন কৰি এটা সৰু অথচ সকলো সুবিধা থকা ঘৰ সজাই মাকক থাকিবলৈ দিছে।

এতিয়া লিখো বাহাদুৰৰ কথা। বাহাদুৰ মই আগতে চাকৰী কৰা প্ৰতিষ্ঠানতে চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল। এনেয়ে ভাল আৰু বিশ্বাসী যদিও বাহাদুৰ মদাহী আছিল। মদ খাই আহি ঘৰত

অত্যাচাৰ কৰাটো নিয়মিয়া কথা আছিল। ছোৱালী তিনিজনীয়ে ভয়তে চুপেচাপে থাকিছিল কিন্তু ল'ৰাটোৱে অলপ ডাঙৰ হোৱাৰ পিছৰ পৰা মাকক বচাবলৈ চেষ্টা কৰিছিল যদিও বিফল হৈছিল। ঘৰৰ অশান্তিৰ পৰা হাত সাৰিবলৈ ডাঙৰজনী ছোৱালী ওচৰেৰে ল'ৰা এটাৰ লগত পলাই গ'ল। দেখিবলৈ বৰ ধুনীয়া মাজু ছোৱালীজনী এটা বয়সীয়া ধনী মানুহক বিয়াৰ নামত বিক্ৰি কৰি দিলে। বাহাদুৰৰ ঘৈণীয়েকে ফেক্টৰী এটাত কাম কৰিছিলে বাবে খোৱাবোৱাৰ কষ্ট হোৱা নাছিল। অফিচ চলি থকা সময়ত কেইবাবাৰো মদ খোৱা অৱস্থাত পোৱাৰ বাবে বাহাদুৰে চাকৰীটোও হেৰুৱাবলগীয়া হৈছিল।

এদিন পুৱা কলিংবেল বজাত দুৱাৰ খুলি দেখো বাহাদুৰ। বাহাদুৰে হাওঁহাওঁকৈ কান্দি ক'লে 'মোক বচাওক, মোক বচাওক।' পুতেকে মাৰ পিত কৰি গুৰুলাগুৰুল কৰা মানুহটোৰ চাবনোৱাৰা অৱস্থা। পেণ্টটো কিছু কোঁচাই দেখুৱালে – আঠুৰ ঠিক তলতে পোৰাৰ চিন। ঘৈণীয়েকে আহি এৰুৱাই নিদিয়া হ'লে সেইদিনা পুতেকে হেনো মাৰিয়েই পেলালেহেতেন। চাহ একাপ খাই ডাক্তৰৰ ওচৰলৈ যাবলৈ মোৰ পৰা কিছু পইছা লৈ বাহাদুৰ গ'লগৈ।

মোৰ মনটো বহুতদিনলৈকে বৰ বেয়া লাগি আছিল। কৃষ্ণৰ দৰে ইমান শান্তশিষ্ট, মৰম লগা ল'ৰাটোৱে এনে গঢ়িত কাম কিয় কৰিলে ? পঢ়াশুনাত ভাল কৃষ্ণই বৰ কষ্ট কৰি গণিতত এম.এছ.ছি পাছ কৰি ইয়াৰে কলেজ এখনত অধ্যাপনা কৰে। নিজে ঘৰ দুৱাৰ সজাব নোৱাৰা বাহাদুৰ পুতেকৰ লগত থাকিবলগীয়া হৈছে। পুতেকে কাঢ়াকৈ কৈ দিছে যে তাৰ লগত থাকিবলৈ হ'লে ভদ্ৰলোকৰ দৰে থাকিব লাগিব। নহলে য'তে মন যায় ততে মৰিবগৈ পাৰে – সি বিচাৰি নাযায়। গতিকে বাহাদুৰৰ কোনো গত্যন্তৰ নাই।

এতিয়া আহো সমাজৰ একেবাৰে উচ্চস্তৰৰ এহাল দম্পত্তিৰ কথালৈ। দুয়ো ডাক্তৰ আৰু মাইচুৰ মেডিকেল কলেজৰ প্ৰফেচৰ আছিল। মানুহগৰাকীক মই কেতিয়াও লগ পোৱা নাই – দেখাও নাই কিন্তু তেওঁৰ বিষয়ে ভালদৰেই জানো। তেওঁ এখন মেডিকেল য়ুনিভাৰ্চিটিৰ উপাচাৰ্য্যও হৈছিল। মানুহজনক মই কেইবাবাৰো লগ পাইছিলো। তেওঁৰ বহুতো দুৰ্নাম আছিল – অত্যন্ত খঙাল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সন্ত্ৰাসৰ কাৰণ আছিল। পতি-পত্নীৰ মাজৰ কাজিয়াৰ মুখৰোচক কাহিনী এসময়ত মাইচুৰৰ মানুহৰ মুখে মুখে চলিছিল। একেটা ঘৰতে তেওঁলোক বেলেগে বেলেগে আছিল। ঘৰটোত দুখন গে'ট আছিল – এখন গেটত পতিৰ নামফলক আৰু আনখন গে'টত পত্নীৰ নামফলক এখন গেটেৰে গ'লে পত্নীৰ ক্লিনিক আৰু আনখন গে'টেৰে গ'লে পতিৰ ক্লিনিক পোৱা যায়। কিন্তু তথাপিও তেওঁলোকৰ মাজত খণ্ডযুদ্ধ চলি আছিল।

আজি প্ৰায় ১৬/১৭ বছৰ মানৰ আগতে এটা নাভূত নাশ্ৰুত কথা শুনিবলৈ পাইছিলো। বৰপুত্ৰ অশ্বিনে দেউতাকৰ বিৰুদ্ধে ক্ষতিপূৰণ বিচাৰি কেচ দিব খুজিছিলে। দেউতাকে সদায় মাকৰ লগত কাজিয়া কৰাৰ বাবে ঘৰৰ পৰিবেশ নষ্ট হৈছিল আৰু সেয়ে তেওঁৰ লগতে ভায়েকৰো শৈশৱ আৰু কৈশোৰ নষ্ট হৈছিল। দেউতাকৰ এই বদ আচৰণৰ প্ৰভাৱ জীৱন ব্যাপি অনুভৱ কৰিছে – তেওঁৰ মানসিক স্বাস্থ্য, ব্যক্তিত্ব সকলোতে সেই কুপ্ৰভাৱ পৰিছে। দেউতাকৰ বাবেই ইমান ক্ষতি হোৱাৰ বাবে তেওঁ দেউতাকৰ পৰা ১ কোটি টকাৰ ক্ষতিপূৰণ বিচাৰিব। তেওঁ জানে যে ১ কোটি টকা পালে তেওঁৰ সোনালী শৈশৱ, কৈশোৰ ঘুৰি নাহে কিন্তু মাকৰ আৰু ল'ৰা দুটাৰ ইমান ক্ষতি হোৱা স্বত্ত্বেও দেউতাকে একো শাস্তিয়েই নাপাবনে? সকলোৱে বুজাই মেলি অশ্বিনক এই কাৰ্যৰ পৰা বিৰত কৰালে। কিন্তু আচল সংকটে দেখা দিলে যেতিয়া দেউতাকৰ মৃত্যু হ'ল। অশ্বিনে ঘোষণা কৰিলে যে তেওঁ সৎকাৰো নকৰে আৰু শ্ৰাদ্ধও নকৰে। ককায়েকক দেখি সৰু পুতেকেও একেটা কথাকে ক'লে। মাকে কোনোবা আত্মীয়ৰ সহায়ত শেষকৃত কৰাবলগীয়া হ'ল।

অস্কাৰ ৱাইলডৰ কথা কিমান সঁচা! সন্তানে পৃথিবীৰ সকলোকে ক্ষমা কৰিলেও নিজৰ পিতৃমাতৃক কেতিয়াও ক্ষমা নকৰে। দ্বিতীয়তে, দোষী পিতৃমাতৃক পৃথিবীৰ সকলোৱে ক্ষমা কৰিলেও নিজৰ সন্তানে কেতিয়াও ক্ষমা নকৰে।